# অসম বিধান সভা

(বাজেট অধিবেশন, ২০২১ চন)

সোমবাৰ, ১২ জুলাই, ২০২১ চনৰ কাৰ্য্যতালিকা

(পুৱা ৯-৩০ বজাৰ পৰা )

## চৰকাৰী কাৰ্য্যসূচী

১। মৃত্যু প্ৰসঙ্গ ।

২। প্ৰশ্ন সমূহ ।

৩। অধ্যক্ষই বিধান সভাৰ বাজেট অধিবেশনৰ কাৰ্য্যসূচী স্থিৰ কৰি কাৰ্য্য উপদেষ্টা সমিতিৰ প্ৰতিবেদন ঘোষণা কৰিব ।

৪। অধ্যক্ষই অসম বিধান সভাৰ প্ৰক্ৰিয়া আৰু কাৰ্য্য পৰিচালনাৰ নিয়মাৱলীৰ ৯ (১) নিয়মৰ অধীনত সদন পৰিচালনাৰ বাবে মনোনীত সভাপতি সকলৰ নাম ঘোষণা কৰিব ।

৫। শ্ৰীজাকিৰ হুছেইন সিকদাৰে অসম বিধান সভাৰ প্ৰক্ৰিয়া আৰু কাৰ্য্য পৰিচালনাৰ নিয়মাৱলীৰ ৫৪ নং নিয়মৰ অধীনত ২০২১ চনৰ ২ জুলাই তাৰিখৰ "অসমীয়া খবৰ" কাকতত প্ৰকাশিত "পৰীক্ষাত পাছ, চাকৰিত ফেইল" শীৰ্ষক বাতৰিটোৰ প্ৰতি শিক্ষা বিভাগৰ মন্ত্ৰীৰ মনোযোগ আকৰ্ষণ কৰিব ।

৬। ৩০১ নং নিয়মৰ অধীনত 'বিশেষ প্ৰসঙ্গ উত্থাপন' ।

৭। শ্ৰীপিয়ুষ হাজৰিকা, সংসদীয় পৰিক্ৰমা, মন্ত্ৰীয়ে ভাৰতৰ নিয়ন্ত্ৰক আৰু মহাহিচাপ পৰীক্ষকৰ সামাজিক, অৰ্থনৈতিক ( অনা-ৰাজহুৱা খণ্ডৰ প্ৰতিষ্ঠান সমূহ) আৰু সাধাৰণ খণ্ডৰ ওপৰত (২০২১ ৰ প্ৰতিবেদন নং-১) অসম চৰকাৰৰ ২০১৯ চনৰ ৩১ মাৰ্চত সমাপ্ত বছৰটোৰ প্ৰতিবেদনখন সদনত উপস্থাপন কৰিব ।

৮। অসম বিধান সভাৰ ৰাজহুৱা উদ্যোগ সমূহৰ সমিতিৰ সভাপতি শ্ৰীৰমেন্দ্ৰ নাৰায়ন কলিতাই সমিতিৰ ৫৪, ৫৫ আৰু ৫৬ তম্ প্ৰতিবেদন দাখিল কৰিব ।

ক্ৰমশ - ২

৯। শ্ৰীমতী অজন্তা নেওগ (মন্ত্ৰী, বিত্ত ইত্যাদি) য়ে অসম চৰকাৰৰ বিত্ত (কৰাৰোপণ) বিভাগৰ ১২ খন অসাধাৰণ ৰাজপত্ৰ অধিসূচনা, ১২ ফেব্ৰুৱাৰী ২০২১ ৰ পৰা ৪ জুন ২০২১ তাৰিখলৈ সদনত দাখিল কৰিব।

১০। শ্ৰীমতী অজন্তা নেওগ (মন্ত্ৰী, বিত্ত ইত্যাদি) য়ে অসম ৰাজ্যিক ন্যায় সেৱা কৰ্তৃপক্ষ গুৱাহাটীৰ পৃথক হিচাপ প্ৰতিবেদন ২০১৩-১৪, ২০১৪-১৫, ২০১৫-১৬ আৰু ২০১৬-১৭ সদনত দাখিল কৰিব ।

১১। শ্ৰীবিমল বৰা (মন্ত্ৰী, শক্তি ইত্যাদি) য়ে অসমৰ ১৪, ১৫ আৰু ১৬ বৰ্ষৰ শক্তি বিতৰণ কোম্পানীৰ পৰিসীমিত প্ৰতিবেদন আৰু ২০১৬-১৭, ২০১৭-১৮, ২০১৮-১৯ বৰ্ষৰ হিচাপ সদনত দাখিল কৰিব ।

১২। শ্ৰীবিমল বৰা (মন্ত্ৰী, শক্তি ইত্যাদি) য়ে শক্তি উৎপাদন নিগম পৰিসীমিতৰ ২০১৯-২০ বৰ্ষৰ বছৰেকীয়া প্ৰতিবেদন আৰু হিচাপ সদনত দাখিল কৰিব ।

১৩। শ্ৰীপিয়ুষ হাজৰিকা (মন্ত্ৰী, সংসদীয় পৰিক্ৰমা ইত্যাদি) য়ে অসম বিধান সভাৰ নিয়মাৱলী সমিতিৰ ১৭ তম্ প্ৰতিবেদনখন সদনত দাখিল কৰিব ।

১৪। শ্ৰীপিয়ুষ হাজৰিকা, সংসদীয় পৰিক্ৰমা, মন্ত্ৰী ইত্যাদি, যে প্ৰস্তাৱ কৰিব যে -

"মাননীয় সদস্য শ্ৰীৰূপজ্যোতি কুৰ্মী দেৱে অসম বিধান সভাৰ সদস্য পদৰ পৰা পদত্যাগ কৰা হেতুকে আকস্মিক ভাৱে খালী হোৱা অসম বিধান সভাৰ অন্যান্য পিছপৰা শ্ৰেণী আৰু অধিক অন্যান্য পিছপৰা শ্ৰেণী সমূহৰ কল্যাণ সমিতিৰ সদস্য পদটো পূৰণ কৰিবলৈ অসম বিধান সভাৰ প্ৰক্ৰিয়া আৰু কাৰ্য্য পৰিচালনাৰ নিয়মাৱলীৰ ১৯৪ (৩) নং দফাৰ অধীনত একল সংক্ৰমণীয় ভোটেৰে আনুপাতিক প্ৰতিনিধিত্ব নীতি অনুসৰি সদনৰ সদস্য/সদস্যা সকলৰ মাজৰ পৰা এজন সদস্যক বাকী থকা কাৰ্য্যকালৰ বাবে নিৰ্বাচন কৰিব আৰু উক্ত সদস্যজনে পৰৱৰ্তী সময়ছোৱাৰ বাবে কাৰ্য্যনিৰ্বাহ কৰিব, যিখন সমিতি অধিসূচনা নং এল, এ, অবিচি/এম,অ,বি, চি ১/২০২১/৫০৬২ তাৰিখ ২৪ মে ২০২১ তাৰিখে গঠন কৰা হৈছিল ।"

(আৱশ্যক হ'লে সচিবে নিৰ্বাচনৰ তাৰিখ, সময় আৰু স্থানৰ জাননী দিব)

ক্ৰমশ-৩

১৫। ড° হিমন্ত বিশ্ব শৰ্মা (মুখ্যমন্ত্ৰী) য়ে “দি আসাম কেটেল প্ৰিজাৰ্ভেশ্বন বিল, ২০২১” খন উত্থাপন কৰিবলৈ অনুমতি বিচাৰিব ।

( যদি অনুমতি দিয়ে বিধেয়কখন উত্থাপন কৰিব )

১৬। ড° হিমন্ত বিশ্ব শৰ্মা (মুখ্যমন্ত্ৰী) য়ে “দি বেঙ্গল, আগ্ৰা এণ্ড আসাম চিভিল কোৰ্টচ ( আসাম এমেণ্ডমেণ্ট) বিল, ২০২১” খন উত্থাপন কৰিবলৈ অনুমতি বিচাৰিব ।

( যদি অনুমতি দিয়ে বিধেয়কখন উত্থাপন কৰিব )

১৭। শ্ৰীমতী অজন্তা নেওগ (মন্ত্ৰী, বিত্ত ইত্যাদি) য়ে “দি আসাম গুডছ্ এণ্ড চাৰ্ভিচ টেক্স (এমেণ্ডমেণ্ট) বিল, ২০২১ সদনত উত্থাপন কৰিবলৈ অনুমতি বিচাৰিব ।

( যদি অনুমতি দিয়ে বিধেয়কখন উত্থাপন কৰিব )

১৮। শ্ৰীমতী অজন্তা নেওগ (মন্ত্ৰী, বিত্ত ইত্যাদি) য়ে “দি আসাম ফিচকেল ৰেচপনচিবিলিটি এণ্ড বাজেট মেনেজমেণ্ট (এমেণ্ডমেণ্ট) বিল, ২০২১ সদনত উত্থাপন কৰিবলৈ অনুমতি বিচাৰিব ।

( যদি অনুমতি দিয়ে বিধেয়কখন উত্থাপন কৰিব )

১৯। শ্ৰীঅশোক সিংহাল (মন্ত্ৰী, নগৰ উন্নয়ন ইত্যাদি) য়ে “দি আসাম মিউনিচিপাল (এমেণ্ডমেণ্ট) বিল, ২০২১ সদনত উত্থাপন কৰিবলৈ অনুমতি বিচাৰিব ।

( যদি অনুমতি দিয়ে বিধেয়কখন উত্থাপন কৰিব )

দিশপুৰ ঃ
১২ জুলাই, ২০২১ চন

**এচ, কে শৰ্মা, এ,জে,এচ**
**সচিব,**
**অসম বিধান সভা**

................